**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে যোৱা নিশা তামিলনাডুৰ থুথিকুড়িত চাৰি হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। চত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত চাৰিজন মাওবাদী নিহত হয়।

৪। ফিডে মহিলা দবা বিশ্বকাপৰ ফাইনেলত ভাৰতৰ কনেৰু হাম্পি আৰু দিব্যা দেশমুখৰ মাজৰ খেলখন কালি অমিমাংসীতভাৱে সমাপ্ত হয়। ***আৰু***

৫। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি অন্তিম দিনা ভাৰতে দুটা উইকেট হেৰুৱাই কালি সংগ্ৰহ কৰা ১৭৪ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৪ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা নিশা তামিলনাডুৰ থুথিকুড়িত চাৰি হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বিমান বন্দৰ, ঘাইপথ, বন্দৰ আৰু শক্তিখণ্ডৰ সৈতে জড়িত এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব, সামগ্ৰি পৰিবহনৰ সামৰ্থ বৃদ্ধি কৰিব, নিকা শক্তি আন্তঃগাঁথনি শক্তিশালী কৰিব আৰু তামিলনাডু জনসাধাৰণ জীৱনৰ মান উন্নত কৰিব।

এই উপলক্ষে এটা সমাৰেশত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শেহতীয়া বিদেশ ভ্ৰমণৰ সময়ত ভাৰত আৰু ইংলেণ্ডৰ মাজত স্বাক্ষৰিত ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিৰ বিষয়ে আলোকপাত কৰে। চুক্তিখনক ভাৰতৰ প্ৰতি

বিশ্বৰ বৰ্ধিত বিশ্বাস আৰু দেশৰ নতুন আত্মবিশ্বাসৰ প্ৰতীক বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই আত্মবিশ্বাসে উন্নত ভাৰত আৰু তামিলনাডু গঢ়াৰ দিশত আগুৱাই লৈ যাব। ভাৰত আৰু ইংলেণ্ডৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিখনে দেশৰ অৰ্থব্যৱস্থা সুদৃঢ় কৰিব আৰু বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দিশে ভাৰতৰ যাত্ৰা ত্বৰান্বিত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

শ্ৰী মোদীয়ে কয়, যে আন্তঃগাঁথনি আৰু শক্তি কোনো এখন ৰাজ্যৰ উন্নয়নৰ মেৰুদণ্ডস্বৰূপ আৰু বিগত ১১ বছৰত এই খণ্ডসমূহৰ ওপৰত আৰোপ কৰা নিৰন্তৰ গুৰুত্বই তামিলনাডুৰ প্ৰগতিৰ ক্ষেত্ৰত প্ৰদান কৰা অগ্ৰাধিকাৰকে প্ৰতিফলিত কৰে। নতুনকৈ উদ্বোধন কৰা প্ৰকল্পসমূহে থুথিকুড়ি আৰু তামিলনাডুক উন্নত যোগাযোগ, নিকা শক্তি আৰু নতুন সুযোগৰ কেন্দ্ৰৰূপে গঢ়ি তুলিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে আঢ়ৈ হাজাৰ কোটি টকা ব্যয়ৰে বিকশাই তোলা তামিলনাডুৰ দুটা গুৰুত্বপূৰ্ণ পথ প্ৰকল্প ৰাইজৰ নামত উৎসৰ্গা কৰাৰ কথা ঘোষণা কৰে। শ্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰে'ল নেটৱৰ্কক ঔদ্যোগিক বিকাশ আৰু আত্মনিৰ্ভৰ ভাৰতৰ জীৱন ৰেখা বুলি গণ্য কৰে।

চৰকাৰে মেক ইন ইণ্ডিয়া আৰু নিৰ্মাণ মিছনত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত মেক ইন ইণ্ডিয়া অভিযানৰ শক্তি স্পষ্টভাৱে দেখিবলৈ পোৱা গৈছিল। এই অভিযানৰ সময়ত ঘৰুৱাভাৱে উৎপাদিত অস্ত্ৰ-শস্ত্ৰই সন্ত্ৰাসবাদীৰ ঘাটি ধংস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ গংগাইকুণ্ডা চ'লাপুৰম মন্দিৰত তিৰুৱতিৰাই উৎসৱৰ সৈতে মহান চ'ল সম্ৰাট ৰাজেন্দ্ৰ চ'ল প্ৰথমৰ জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে ভাৰতৰ মহান সম্ৰাট ৰাজেন্দ্ৰ চ'লা প্ৰথমৰ সন্মানাৰ্থে প্ৰধানমন্ত্ৰীয়ে এটা মুদ্ৰাও মুকলি কৰিব। এই উদযাপন হৈছে, দক্ষিণ-পূব এছিয়ালৈ ৰাজেন্দ্ৰ চ'ল প্ৰথমৰ সামুদ্ৰিক অভিযানৰ এহেজাৰ বছৰ সম্পূৰ্ণ হোৱাৰ আৰু চ'ল সাম্ৰাজ্যৰ অপূৰ্ব স্থাপত্যৰ নিদৰ্শনস্বৰূপ গংগাইকুণ্ডা চ'লাপুৰম মন্দিৰ নিৰ্মাণৰ অংশ বিশেষ।

ৰাজেন্দ্ৰ চ'ল প্ৰথম হৈছে, ভাৰতৰ ইতিহাসৰ এগৰাকী অতি শক্তিশালী আৰু দূৰদৰ্শি শাসক। তেওঁৰ নেতৃত্বতে চ'ল সাম্ৰাজ্যই  সমগ্ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়ালৈ সম্প্ৰসাৰিত হৈছিল। তেওঁ গংগাইকুণ্ডা চ'লাপুৰমক ৰাজধানীৰূপে প্ৰতিষ্ঠা কৰাৰ লগতে তাত নিৰ্মাণ কৰা মন্দিৰটোৱে ২৫০ বছৰ ধৰি শিৱৰ আৰাধনা, চ'ল সাম্ৰাজ্যৰ অপূৰ্ব স্থাপত্য প্ৰশাসনীয় কীৰ্তি হিচাপে পৰিগণিত হৈছে। এই মন্দিৰটোৱে ইয়াৰ অপূৰ্ব ভাস্কৰ্য, চ'ল ব্ৰঞ্জ আৰু প্ৰাচীন শিলালিপিৰ বাবে বৰ্তমান ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰিছে। আদি তিৰুৱতিৰাই হৈছে পৰম্পৰাগত চহকী তামিল শিৱভক্তিৰ উৎসৱ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মালদ্বীপ ভ্ৰমণ ফলপ্ৰসূ বুলি অভিহিত কৰিছে। মালদ্বীপে স্বাধীনতা লাভ কৰাৰ ৬০ বছৰ উৎযাপন অনুষ্ঠানত তেওঁ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে, এনে উদযাপনত অংশগ্ৰহণ কৰা শ্ৰী মোদীয়ে হৈছে ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণক আদৰণি জনোৱাৰ লগতে তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্কই ভৱিষ্যতে নতুন ৰূপ ল'ব বুলি আশা প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি মুইজ্জুৱে

দেশখনলৈ প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয়, যে মালদ্বীপৰ অগ্ৰগতিৰ ক্ষেত্ৰত ভাৰত প্ৰধান অংশীদাৰ হ'ব।

ভাৰত আৰু মালদ্বীপৰ মাজত স্বাক্ষৰিত কেইবাখনো বুজাবুজিৰ  চুক্তিয়ে দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব। এই চুক্তিসমূহৰ ভিতৰত মৎস্য, বতৰ, ডিজিটেল আন্তঃগাঁথনি আৰু অন্যান্য বহু বিষয় সামৰি লোৱা হৈছে। মালদ্বীপৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ভাৰতে চাৰি হাজাৰ ৮৫০ কোটি টকাৰ সাহায্য ঘোষণা কৰিছে। ইয়াৰ উপৰি দুয়োখন দেশে অৰ্থনৈতিক সম্পৰ্ক আৰু দ্বিপাক্ষিক বাণিজ্য শক্তাশালী কৰাৰ উদ্দেশ্যে মুক্ত বাণিজ্য চুক্তি সম্পাদনৰো পদক্ষেপ লৈছে। এই বছৰ ভাৰত আৰু মালদ্বীপৰ কুটনৈতিক সম্পৰ্কই ৬০ বছৰত ভৰি দিয়া উপলক্ষে দুয়োগৰাকী নেতাই এটা ষ্টাম্প মুকলি কৰিছে। দুয়োখন দেশে প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তা সহযোগিতা শক্তিশালী কৰাৰ সিদ্ধান্ত লৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়া আৰু সন্ত্ৰাসবাদ নিৰ্মূলৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰা বাবে ৰাষ্ট্ৰপতি মুইজ্জুক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

চত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত চাৰিজন মাওবাদী নিহত হয়। নিহত মাওবাদী কেইজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। সুৰক্ষা বাহিনীয়ে সংঘৰ্ষস্থলীৰ পৰা ছেলফ লোডিং ৰাইফল সহ বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰিছে। বিজাপুৰ জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তত ভালে সংখ্যক মাওবাদীয়ে আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত সুৰক্ষা বাহিনীৰ এটা যুটীয়া দলে চলোৱা অভিযানৰ সময়ত সূত্ৰপাত হোৱা গুলীয়াগুলীত এই মাওবাদীকেইজন নিহত হয়। অঞ্চলটোত কালি বিয়লিৰে পৰা সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত ছেগা-চোৰোকাকৈ গুলীয়াগুলী চলি আছে।

০০০০০

ভাৰতে ছোমালিয়াৰ জনসাধাৰণলৈ মানৱীয় সাহায্য আগবঢ়াইছে।   সামাজিক মাধ্যমৰ এটা পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰানধীৰ জয়ছোৱালে কয়, যে কেতবোৰ অতি প্ৰয়োজনীয় ঔষধ, শল্য চিকিৎসা সামগ্ৰীৰ লগতে হাস্পতালৰ সামগ্ৰী আৰু  জৈৱ চিকিৎসা সঁজুলিসহ দেশখনলৈ ১০ টন সাহায্য সামগ্ৰী পঠোৱা হৈছে। তেওঁ লগতে কয়, যে ভাৰতে ছোমালিয়ালৈ ভৱিষ্যতলৈ এনে মানৱীয় সাহায্য আগবঢ়াই যাব।

০০০০০

ফিডে মহিলা দবা বিশ্বকাপৰ ফাইনেলত ভাৰতৰ কনেৰু হাম্পি আৰু দিব্যা দেশমুখৰ মাজৰ খেলখন কালি অমিমাংসীতভাৱে সমাপ্ত হয়। জৰ্জিয়াৰ বটুমিত অনুষ্ঠিত খেলখনত দিব্যাই বগা আৰু কনেৰু হাম্পি ক'লা গুটীৰে অৱতীৰ্ণ হয়। দুয়োগৰাকী খেলুৱৈয়ে আধা পইণ্ট লাভ কৰে। ফাইনেলৰ দ্বিতীয়খন খেল আজি অনুষ্ঠিত হ'ব।

০০০০০

মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি অন্তিম দিনা ভাৰতে দুটা উইকেট হেৰুৱাই কালি সংগ্ৰহ কৰা ১৭৪ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। খেলৰ চতুৰ্থ দিনা কালি ইংলেণ্ডে ৩১১ ৰানৰ বিশাল অগ্ৰগতি লাভ কৰাৰ পাছত ভাৰতে দ্বিতীয় ইনিংছৰ আৰম্ভণিতে দুটা উইকেট হেৰুৱাই শ'লঠেকত পৰে। অৱশ্যে অধিনায়ক সুভমন গীলে আৰু কে এল ৰাহুলে

সংঘৰ্ষপূৰ্ণ বেটিঙেৰে দলৰ বাবে আশাৰ সঞ্চাৰ কৰে। দিনান্তত সুভমন গীল ৭৮ আৰু কে এল ৰাহুল ৮৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰত এতিয়াও ইংলেণ্ডতকৈ সামগ্রিকভাৱে ১৩৭ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে ইংলেণ্ডে কালি বেন ষ্ট'কছৰ ১৪১ ৰানৰ সহায়ত প্ৰথম ইনিংছত ৬৬৯ ৰান সংগ্ৰহ কৰে। জ' ৰুটে ২৪৮ টা বলত ১৫০ ৰান কৰে। ইয়াৰ লগে লগে জ' ৰুট অষ্ট্ৰেলিয়াৰ ৰিকি পণ্টিঙক চেৰ পেলাই টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ ৰূপে পৰিগণিত হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৪ টা উইকেট দখল কৰে। ভাৰতে প্ৰথম ইনিংছত ৩৫৮ ৰান সংগ্ৰহ কৰে। আলহী দলটো এই পাঁচখনিয়া শৃংখলাত ১-২ ফলাফলত পিছ পৰি আছে।

ooooo

সমাপ্ত